




ইংৰাজী নৱবৰ্ষৰ নঙলামুখতে বাহনা মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা সমূহ লেখক, চিন্তাবিদ আৰু মননশীল পঢ়ুৱৈলৈ আন্তৰিক শুভেচ্ছা জনালোঁ। মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিগৰাকী সদস্যই শৈক্ষিক কাৰ্যকলাপৰ সমান্তৰালভাৱে নিয়মীয়াৰূপে চলাই অহা বৌদ্ধিক কচৰৎসমূহৰ অংশৰূপে এখনি অসমীয়া গৱেষণাধৰ্মী, পত্ৰিকা (অনলাইন) প্ৰকাশৰ এক বিনম্ৰ প্ৰয়াসৰ ফচল আমাৰ এই 'অনুবন্ধ'। মূলতঃ প্ৰাক্তন আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক, সৃষ্টিশীল লেখক আৰু সমালোচকৰ লেখাৰে সমৃদ্ধ কৰিব বিচৰা এই পত্ৰিকাৰ দ্বাৰা লেখকৰ মৌলিক লেখা, তথ্যসমৃদ্ধ গৱেষণাপত্ৰৰ ৰূপত প্ৰকাশৰ পথ সুচল হ'ব বুলি আমি আশা কৰিছোঁ।

যোগাযোগ আৰু প্ৰযুক্তিবিদ্যাই সমগ্ৰ বিশ্বকে এখনি সৰু গাঁৱলৈ পৰ্যবসিত কৰা সাম্প্ৰতিক সময়ে পৰম্পৰাগত জ্ঞানৰ সংৰক্ষণ, সংবৰ্ধন আৰু সম্প্ৰসাৰণৰ সুযোগ আনি দিছে। লগতে অনুসন্ধিৎসু মনলৈ আনি দিছে জ্ঞানৰ নতুন দিগন্ত উন্মোচন কৰাৰ সুবৰ্ণ সুযোগ। এই সন্ধিক্ষণত শিক্ষাব্ৰতী সমাজ আৰু গৱেষণাৰত সুধী সমাজে কৰ্ষণ আৰু আহৰণ কৰা জ্ঞানৰ জলক 'অনুবন্ধ'ৰ মাধ্যমেৰে প্ৰকাশ কৰি জ্ঞানৰ জোনাকী বাটেৰে আলোক চটিয়াই অগ্ৰগামী হ'ব খোজা সবাকে উপকৃত কৰিব— এয়া আমাৰ মৰমৰ আব্দাৰ আৰু সময়ৰ দাবী।

সম্পাদনা সমিতিৰ হৈ আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষ, আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষ আৰু 'অনুবন্ধ'ৰ প্ৰস্তাৱনা সংখ্যাৰ সমূহ লেখকলৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আমি অতি আশাবাদী যে সকলোৰে সহায়-সহযোগিতাত এই ছমহীয়া পত্ৰিকাখনি সঠিক ৰূপত প্ৰকাশ কৰি যাবলৈ সক্ষম হ'ম।

ধন্যবাদ।।